ISSN : 2319-54X

# মন্থন

অসম কলেজ শিক্ষক সংস্থা, তিনিচুকীয়া মণ্ডলৰ বাৰ্ষিক আলোচনী

নৱম সংখ্যা ঃ ২০১৯-২১ বৰ্ষ



## MANTHAN

Annual Magazine of Assam College Teacher's Association, Tinsukia Zone, Vol : IX (Session : 2019-21)

সম্পাদক ঃ
দীপশ্ৰী দাশ সৰকাৰ
বৈকুণ্ঠ দাস

# মন্থন

অসম কলেজ শিক্ষক সংস্থা, তিনিচুকীয়া মণ্ডলৰ বাৰ্ষিক আলোচনী

নৱম সংখ্যাঃ ২০১৯–২১ বৰ্ষ

# Manthan :

Annual Magazine: Assam College Teacher's Association, Tinsukia Zone
Vol- IX, Session 2019-21
ISSN: 2319-341X

**Editors**

Dr. Deepshree Das Sarkar
Mr. Boikuntha Das

**Publisher**

The Secretary, Assam College Teacher's Association, Tinsukia Zone

**Date of Publication:**

25th November, 2021

**Cover :**

Dr. K. Kalita, Tinsukia College

**Printed at:**

The Assam Computers, Borguri, Tinsukia

# মামণি ৰয়চম গোস্বামীৰ কথা শিল্পত এভূমুকি

✍ টংকেশ্বৰ দাস
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, তিনিচুকীয়া মহাবিদ্যালয়

সাহিত্যৰ ক্ষেত্ৰখনত চিৰ জ্যোতিষ্মান হৈ ৰোৱা লেখকসকলৰ সাহিত্য চিন্তাৰ উৎস বিচাৰ কৰিলে দেখা যায় যে তেওঁলোকৰ বেছি ভাগেই সাধাৰণ মানুহৰ কল্যাণ সাধনৰ হেতু কলম নিগৰাইছিল। গভীৰ মানৱীয় অনুভূতিৰ মূৰ্ত প্ৰকাশেৰে সমাজত সততে সংঘটিত হৈ থকা দুৰ্নীতি, ভ্ৰষ্টাচাৰ, শোষণ, নিপীড়িৰণৰ পৰা মানুহক মুক্ত কৰি প্ৰকৃতাৰ্থত এখন মানুহৰ সমাজ গঢ়াৰ দৃষ্টিকোণ আছিল তেওঁলোকৰ সাধনাৰ মূলমন্ত্ৰ। সাধাৰণ মানুহৰ প্ৰতি জাগৃত এনে মানৱীয় অনুভূতিৰ পৰিপ্ৰেক্ষিততেই সাহিত্যই দেশ, কালৰ সীমা অতিক্ৰমি পাঠকৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম হয়। সাধাৰণ খাঁটি খোৱা মানুহৰ জীৱন কথাৰে সাহিত্যক শিল্পত্ব প্ৰদান কৰিবলৈ সক্ষম হোৱা এনে বৰেণ্য লেখকসকলৰ অন্যতম আছিল মামণি ৰয়চম গোস্বামী। গোস্বামীয়ে তেওঁৰ সুদীৰ্ঘ সাহিত্যিক জীৱনত এগৰাকী নিপুণ কথা শিল্পী হিচাপে কেইবাখনো উপন্যাস, গল্প সংকলন, প্ৰবন্ধ, গৱেষণা গ্ৰন্থ, অনুদিত কবিতা পুথি আৰু আত্মজীৱনীৰ দুটা খণ্ড ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে।

তেৰ বছৰ বয়সতে হাতত কলম তুলি লোৱা এইগৰাকী সাধনা ব্ৰতী কথাশিল্পীৰ সুনিপুণ কলমৰ আগৰে নিগৰি ওলাইছিল ভালে কেইখন উপন্যাস। "চেনাবৰ সোঁত" (১৯৭২), "নীলকণ্ঠী ব্ৰজ" (১৯৭৬), 'অহিৰণ" (১৯৮০), "মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস" (১৯৮০), "দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা" (১৯৮৮), "সংস্কাৰ, উদয়ভাণুৰ চৰিত্ৰ ইত্যাদি" (১৯৮৯), "ঈশ্বৰী জখমী যাত্ৰী" (১৯৯১), "তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা" (১৯৯৪), "দাশৰথীৰ খোজ" (১৯৯৯), "ছিন্নমস্তাৰ মানুহটো" (২০০১), "থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল" (২০০৬) ইত্যাদি।

আধুনিক কথা সাহিত্যৰ অন্যতম জনপ্ৰিয় ধাৰা চুটি গল্পৰ ক্ষেত্ৰতখনতো কলম আগুৱাই নি অসমীয়া সাহিত্যৰ ভঁৰালটো টনকিয়াল কৰিবলৈ সক্ষম হোৱা মামণি ৰয়চম গোস্বামীৰ গল্প সংকলনসমূহ হৈছে "চিনাকি মৰম" (১৯৬২), "কইনা" (১৯৬৬), "হৃদয় এক নদীৰ নাম" (১৯৯০), "মামণি ৰয়চমৰ স্ব নিৰ্বাচিত গল্প" (১৯৯৮), "মামণি ৰয়চম গোস্বামীৰ প্ৰিয় গল্প" (১৯৯৮) ইত্যাদি।

"আধা লিখা দস্তাবেজ" (১৯৮৮) আৰু "দস্তাবেজৰ নতুন পৃষ্ঠা" (২০০৭) নামৰ আত্মজীৱনীৰ দুটা খণ্ড ৰচনা কৰাৰ উপৰিও মামণি ৰয়চম গোস্বামীয়ে "মহিয়সী কমলা" (১৯৯৫), আৰু "মা" (২০০৮) নামৰ দুখন জীৱনীও ৰচনা কৰি থৈ গৈছে। তাৰোপৰি তেওঁ "প্ৰেমচন্দৰ চুটি গল্প" (১৯৭৫), "আধা ঘণ্টা সময়" (১৯৭৮), "জাতকৰ

কথা" (১৯৯৬), "কলম" (১৯৯৬), আৰু "আহ্নিক কথা" (১৯৯৬), "কলম" (১৯৯৬), আৰু "আহ্নিক" নামৰ অনুবাদ সাহিত্যৰ যোগেদি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে।

ব্যতিক্ৰমী চিন্তাৰ বাহক মামণি ৰয়চম গোস্বামীৰ সাহিত্যৰাজিৰ আছে এক সুকীয়া বৈশিষ্ট্য। জীৱনৰ যাত্ৰা পথত নানা ঘাত প্ৰতিঘাতৰ মুখামুখি হৈ আওৱাই যোৱা গোস্বামীয়ে সাহিত্যৰ বুকুত নিজক অৰ্পণ কৰি সৃষ্টি কৰি গ'ল ইখনৰ পিছত সিখন গ্ৰন্থ। কৈ গ'ল সাধাৰণ খাঁটি খোৱা মানুহৰ জীৱনৰ কথা। এই গৰাকী মানৱতাবাদী সাহিত্যিকে নিজে উল্লেখ কৰিছে যে "Writing is in my blood in my veins, if I stop I will die of suffocation. Without a pen I will die."

সুদীৰ্ঘ পাঁচটা দশকৰো অধিক কাল সাহিত্য চৰ্চাৰে শোষিত, নিষ্পেষিত, কৃষক, শ্ৰমিক, নিৰ্যাতিতা, বিধৱা আদি সমাজৰ সৰু সৰু মানুহবোৰৰ জীৱনৰ করুণ গাঁথাক শৈল্পীক ৰূপত সজাই-পৰাই মামণি ৰয়চম গোস্বামীয়ে অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত এক অনন্য বিপ্লৱৰ সূচনা কৰিবলৈ সক্ষম হৈছিল। সুগভীৰ মানৱতাবোধ তথা আন্তৰিকতাপূৰ্ণ মানৱীয় অনুভূতিৰ সমাহাৰেৰে সমাজৰ সৰু মানুহবোৰক লৈ সৃষ্টি কৰা তেওঁৰ উপন্যাস সমূহক উচ্চ পৰ্যায়ৰ কলাকৰ্মলৈ উন্নীত কৰিছে। তেওঁৰ কেইবাখনো উপন্যাসৰ বিষয়বস্তুক কলাসম্মত কৰি তোলাত বিধৱা নাৰী আৰু শ্ৰমিকৰ চৰিত্ৰই বিশেষ ভূমিকা পালন কৰিছে। 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ গিৰিবালা, 'নীলকণ্ঠী ব্ৰজ'ৰ সৌদামিনী, এনে দুটি বিধৱা নাৰীৰ উজ্বল ৰূপায়ণ। ৰক্ষণশীল সমাজৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ কৰাল গ্ৰাসত পৰি ঠাউনি নোপোৱা, দৰিদ্ৰপীড়িতা এইসকল নাৰীৰ মৰ্ম বেদনা তেওঁ বৰ হৃদয়স্পৰ্শীকৈ বৰ্ণনা কৰিছে। সেইদৰে তেওঁৰ 'চেনাবৰ সোঁত', 'অহিৰণ' আৰু 'মামৰে ধৰা তৰোৱাল'ত শোষিত নিষ্পেষিত শ্ৰমিকসকলৰ দুখ দৈন্যতাক সৰল কথন শৈলীৰে সহৃদয়তা তথা সহানুভূতি শীলতাৰে উপস্থাপন কৰিছে। সেয়েহে তেওঁৰ এই কাহিনীসমূহৰ সোৱাদ ল'বলৈ যোৱা পাঠকৰ অন্তৰতো সমবেদনা জাগি উঠে। মামণি ৰয়চম গোস্বামীয়ে তেওঁৰ উপন্যাস সমূহত আঁকি যোৱা সেই নিপীড়িত, বঞ্চিত লোকসকলৰ সৈতে সহাৱস্থান কৰি তেওঁলোকৰ জীৱনৰ জীয়া কাহিনীৰ বুকুত প্ৰতিবাদী সত্তাৰ স্ফূৰণ ঘটাই সমাজৰ যুক্তিহীন কঠোৰ নীতিৰ বিৰুদ্ধে মাত মাতিছে। অন্ধ পৰম্পৰাৰ মায়া জালত বন্দী সমাজৰ এচাম লোকে বিপদগ্ৰস্ত আন এচাম লোকক নিৰ্দয়ভাৱে তিল তিল কৈ মৃত্যু মুখলৈ ঠেলি দিয়া হৃদয়হীন লোকসকলৰ নিষ্ঠুৰতা, স্বাৰ্থপৰতাক কৌশলী ভৎসৰ্না কৰি মামণি ৰয়চম গোস্বামীয়ে তেওঁৰ বিপ্লৱী সত্তাক প্ৰকাশ কৰিছে। 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা'ত যেনেদৰে তেওঁ দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ চৌপাশৰ সামন্তযুগীয়া সমাজৰ দৃষ্টিকটু পৰম্পৰাৰ নিৰ্মোহ বিশ্লেষণ কৰিছে ঠিক তেনেদৰে 'নীলকণ্ঠী ব্ৰজ'ত ব্ৰজধামৰ বিধৱাসকলৰ জীৱন যন্ত্ৰণাক চিত্ৰিত কৰিছে। 'চেনাবৰ সোঁত' উপন্যাসখনত তেওঁ চেনাব নদীৰ ওপৰত নিৰ্মিত এখন দলংৰ কামত নিয়োজিত শ্ৰমিকসকলৰ দুখ দৈন্যতাৰ উদং ছবি অংকণ কৰিছে। অন্যহাতে 'অহিৰণ' উপন্যাসত তেওঁ মধ্য প্ৰদেশৰ এটা একুৱেডাক্ট নিৰ্মাণ কাৰ্যত জড়িত বনুৱাসকলৰ দুখ দুৰ্দশা ছবি আৰু মামৰে ধৰা তৰোৱালত উত্তৰ প্ৰদেশৰ এখিনি শ্ৰমজীৱি লোকৰ যন্ত্ৰণাকাতৰ জীৱন শৈলীৰ জীৱন্ত ৰূপ প্ৰকাশ কৰিছে। ৰাজধানীৰ গৌৰৱ আৰু অহংকাৰেৰে মূৰ দাঙি থকা চহৰৰ অলিয়ে গলিয়ে কিল বিলাই থকা মৃত্যু যন্ত্ৰণা, হিংসা, হতাশা আৰু বেদনাৰ হুমুনিয়াহৰ প্ৰকাশেৰে প্ৰাণ পাই উঠা গোস্বামীৰ 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' আন এখন শৈল্পীক উপন্যাস।

আধুনিক অসমীয়া কথা সাহিত্যৰ অন্যতম ধ্বজাবাহক মামণি ৰয়চম গোস্বামীয়ে উপন্যাস ৰচনাৰে [illegible] যুগলৈ খ্যাতি ৰাখি থৈ গৈছে, ঠিক তেনেদৰে গল্প ৰচনাৰ যোগেদিও তেওঁ অতুলনীয় খ্যাতি অৰ্জন কৰি থৈ গৈছে। ১৯৫৫ চনতেই 'নতুন অসমীয়া'ৰ [illegible] গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা গোস্বামীৰ উৎকৃষ্ট মানৰ গল্পসমূহ অসমীয়া কথা সাহিত্যৰ অমূল্য সম্পদ। নাৰীৰ মনস্তাত্ত্বিক দিশৰ সূক্ষ্মাতি সূক্ষ্ম বিশ্লেষণেৰে তেওঁ ভালে কেইটা গল্পৰ কাহিনীবস্তুক [illegible] কৰিছে। 'সংস্কাৰ', 'সহযাত্ৰী' আদি তেনে গল্পৰ উৎকৃষ্ট উদাহৰণ। সমাজৰ পৰম্পৰা আৰু সংস্কাৰে জীৱন বিপন্ন কৰি তোলা নাৰীৰ মৰ্ম বেদনাক কলাৰ ৰূপদান কৰিছে তেওঁ 'স্মৃতিৰ মুক্তি' গল্পটিৰ জৰিয়তে। আনহাতে 'যাত্ৰা' গল্পটোৰ বুকুত খোদিত কৰি গৈছে নৈসৰ্গিক প্ৰকৃতিৰ অপৰূপ দৃশ্যৰাজিক।

মামণি ৰয়চম গোস্বামীৰ গল্প উপন্যাস সমূহৰ বিষয়বস্তুৰ নিৰ্বাচন তথা সেইবোৰৰ মাজত মানুহৰ কল্যাণকামী চিন্তাৰ কলাত্মক প্ৰকাশ ঘটিছে। চৰিত্ৰসমূহৰ মাজত প্ৰস্ফুটিত মানৱতাবাদী দৃষ্টিভংগীৰ সুন্দৰ উপস্থাপনত তেওঁৰ জনহিতৈষী, সাহসী আৰু স্পষ্টবাদী প্ৰতিবাদী সুৰ গুঞ্জৰিত হোৱা পৰিলক্ষিত হয়। মামণি ৰয়চম গোস্বামী নিজেও আছিল এগৰাকী মানৱদৰদী করুণাময়ী অথচ স্পষ্টবাদী, সাহসী কণ্ঠৰ অধিকাৰী নাৰী। জাতি প্ৰেম, ব্যক্তি প্ৰেম, নানা তৰহৰ দ্বন্দ সংঘাতৰ কলাত্মক প্ৰকাশে তেওঁৰ গল্প উপন্যাস সমূহক মহিয়ান কৰি সততে পাঠকৰ মনগহনত সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। মানৱতাবাদৰ পূজাৰী মামণি ৰয়চম গোস্বামীয়ে হিংসা, অসূয়া অপ্ৰীতিৰ বিপৰীত দিশত থিয় হৈ নিঃস্বজনৰ কাতৰতা লাঘৱ কৰি সমাজৰ অশুভ শক্তিসমূহ বিনাশ কৰি এখন প্ৰকৃত মানুহৰ সমাজ গঢ়াৰ অৰ্থে তেওঁৰ জীৱন দৰ্শনক কথা শিল্প ৰূপত সজাই-পৰাই এক আদৰ্শৰ চানেকি দাঙি ধৰি থৈ গৈছে।

০০০